অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ❑ মঙলবাৰ, ৯ এপ্ৰিল, ২০২৪ ❑ ২৬ চ'ত, ১৯৪৬ শক

## অন্তৰংগ আলাপত বিশিষ্ট চিকিৎসক ডাঃ মৃগাংক শেখৰ চলিহা

# জীৱনত সফলতাৰ বাবে লাগিব চেষ্টা আৰু পৰিশ্ৰম

ডিব্ৰুগড়, ৮ এপ্ৰিল ঃ আজি ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত অসম চিকিৎসা মহাবিদ্যালয়ৰ হৃদৰোগ চিকিৎসা বিভাগৰ মুৰব্বী অধ্যাপক, বিশিষ্ট হৃদৰোগ বিশেষজ্ঞ, কবি, সাহিত্যিক ডাঃ মৃগাংক শেখৰ চলিহাৰ সৈতে এটি অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিৰ আৰম্ভণিতে সুসাহিত্যিক তথা গল্পকাৰ প্ৰণৱজ্যোতি ডেকা আৰু শংকৰী সাহিত্যৰ পুৰোধা ব্যক্তি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ড০ ভৱপ্ৰসাদ চলিহাৰ মৃত্যুত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰা হয়। ইয়াৰ পিছত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা চন্দনা গগৈয়ে ডাঃ চলিহাক মহাবিদ্যালয়লৈ আদৰণি জনোৱাৰ লগতে এনে এটি অনুষ্ঠানৰ আয়োজন কৰা বাবে শিক্ষক গোটৰ শলাগ লয়। উক্ত অনুষ্ঠানতে ডিব্ৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা প্ৰকাশ কৰি উলিওৱা আৰু অসমীয়া বিভাগৰ অধ্যাপিকা ড০ মৌচুমী দত্তই সম্পাদনা কৰা 'সাহিত্য অকাডেমি বঁটা বিজয়িনী অসমীয়া' শীৰ্ষক গ্ৰন্থখন ডাঃ চলিহাই উন্মোচন কৰে। ইয়াৰ পিছতে ডাঃ চলিহাই তেওঁৰ ভাষণ প্ৰসংগত কয় যে, চেষ্টা আৰু পৰিশ্ৰমৰ অবিহনে জীৱনত সফলতা লাভ কৰিব নোৱাৰি। জীৱনত সফলতা লাভ কৰাৰ আন এটি উপাদান হৈছে শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠজনৰ প্ৰতি থকা শ্ৰদ্ধা। ভাষণ প্ৰসংগত এটি সুস্থ শৰীৰো যে সাফল্যৰ এটি যোগাত্মক দিশ সেই কথা ক'বলৈ গৈ তেওঁ পৰিমিত আহাৰ, যোগাসন বা শাৰীৰিক পৰিশ্ৰমৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। ভাষণৰ অন্তত তেওঁ অনুষ্ঠানত উপস্থিত থকা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। অনুষ্ঠানত ডাঃ মৃগাংক শেখৰ চলিহাই লিখা কবিতা আবৃত্তি কৰে অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী কৰবী গগৈয়ে। ডিব্ৰু মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ২০২৩-২০২৪ বৰ্ষৰ প্ৰতিযোগিতামূলক পৰীক্ষা UGC NET আৰু IIT JAMত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ ক্ৰমে— সীমাশ্ৰী চুতীয়া, তোলন মলীয়া, অকিম পাংগিং, দীপশিখা সন্দিকৈ, সৌৰভ দেউৰী, যুৱৰাজ গিৰি, হৃদয় গগৈ আৰু সীমান্ত সন্দিকৈক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি সদ্য অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত ক্লে মডেলিং আৰু ভজনত প্ৰথম স্থান অধিকাৰ কৰা ক্ৰমে অভিষেক গুপ্তা আৰু ইমন বৰুৱাকো ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিতে মহাবিদ্যালয়ৰ আন্তঃ বিভাগ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰো পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰাও সভাৰ সম্পাদক ধ্ৰুৱজ্যোতি দোলাকাষৰীয়াই ড০ চলিহাক আদৰণি জনায়। অনুষ্ঠানটিত শিক্ষক গোটৰ সম্পাদক ড০ জয়ন্ত সাউদে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে শলাগ জ্ঞাপন কৰে আৰু সভাপতিত্ব কৰে শিক্ষক গোটৰ সভাপতি ড০ অদিতি বৰুৱাই।